


# ASOMIYA KHABAR – GUWAHATI 23.11.2022



# কেন্সাৰত আক্ৰান্ত শিশুৰ বাবে প্ৰশংসনীয় পদক্ষেপ চেণ্ট জুডছ্ ইণ্ডিয়াৰ

## বিনামূলীয়াকৈ কেন্সাৰ আক্ৰান্ত শিশুক শুশ্ৰূষাত জড়িত বেচৰকাৰী সংস্থা

**মহানগৰ খবৰ, ২২ নবেম্বৰ ঃ** অসমকে ধৰি উত্তৰ-পূবত কেন্সাৰ আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি বেচৰকাৰী সংস্থা চেণ্ট জুডছ ইণ্ডিয়াই গুৱাহাটীত শিশু শুশ্ৰূষা কেন্দ্ৰ স্থাপনেৰে প্ৰশংসনীয়মূলক কাৰ্যত জড়িত হৈ পৰিছে। কেন্সাৰ আক্ৰান্ত শিশুক বিনামূলীয়াকৈ চিকিৎসা প্ৰদানৰ দৰে এক গুৰুত্বপূৰ্ণ কাৰ্য যোৱা চাৰিটা বছৰে কৰি আহিছে। তেওঁলোকে কেন্সাৰ আক্ৰান্ত শিশুক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰাৰ লগতে থকা-খোৱাৰ পৰা সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটৰ সমীপতে থকা তেওঁলোকৰ কেন্দ্ৰত কেন্সাৰ আক্ৰান্ত শিশুক থকা-খোৱাৰ সুব্যৱস্থা কৰি আহিছে। উত্তৰ-পূবৰ ভিতৰত গুৱাহাটীতেই থকা একমাত্ৰ কেন্দ্ৰটোত অসমৰ লগতে মণিপুৰ, নাগালেণ্ডকে ধৰি আন ৰাজ্যৰ শিশুসকলেও চিকিৎসাৰ সুব্যৱস্থা লাভ কৰি আহিছে। আজি এই কেন্দ্ৰটোত আয়োজিত এক সংবাদমেলত চেণ্ট জুডছ ইণ্ডিয়াৰ অধ্যক্ষ গাৰ্গী মাশ্ৰুৱালাই কয় যে ২০১৮ত গুৱাহাটীত এই কেন্দ্ৰটো স্থাপন কৰা হৈছিল। কেন্সাৰৰ বিৰুদ্ধে যুঁজ দিবলৈ শিশুসকলক উন্নত যত্নৰ প্ৰয়োজন। সেই যত্ন আগবঢ়োৱাৰ লক্ষ্য-উদ্দেশ্য আগত লৈ কেন্দ্ৰটো গুৱাহাটীত স্থাপন কৰা হৈছিল। গুৱাহাটীত দুটা কেন্দ্ৰ আছে। দুয়োটা কেন্দ্ৰত ২৪ গৰাকী কেন্সাৰ ৰোগত আক্ৰান্ত শিশুৰ পৰিয়ালে বিনা খৰচতে থকা-খোৱাৰ উপৰি চিকিৎসা সেৱা লাভ কৰি আহিছে। ডাঃ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটত চিকিৎসাধীন শিশুসকল এই কেন্দ্ৰত থকাৰ সুব্যৱস্থা কৰি দিয়া হৈছে। এই স্বেচ্ছাসেৱী সংস্থাটোৱে টাটা মেম'ৰিয়েল হস্পিতাল, দিল্লীৰ এইম্‌ছ, টাটা মেম'ৰিয়েল চেণ্টাৰ, কলকাতা, ডাঃ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউট, গুৱাহাটী আৰু অন্যান্য চিকিৎসকৰ লগত যোগাযোগ আছে। দেশৰ বিভিন্ন মহানগৰত এই সেৱা আগবঢ়াই আহিছে। মুম্বাইত জন্ম লাভ কৰা এই সংস্থাটোৱে এতিয়া কলকাতা, হায়দৰাবাদ, জয়পুৰ, ভেলোৰ, চেন্নাই, গুৱাহাটী, দিল্লী আৰু বাৰাণসীত এনে সেৱা আগবঢ়াই আহিছে। এই কেন্দ্ৰত শিশুসকলৰ চিকিৎসাৰ সকলো যত্ন লোৱাৰ উপৰি তেওঁলোকক কাৰিকৰী শিক্ষাও প্ৰদান কৰি অহা হৈছে। এতিয়ালৈ গুৱাহাটীত এই কেন্দ্ৰত ৪৫০ জনে চিকিৎসাৰ বাবে পঞ্জীয়ন কৰিছে। ব্যক্তিগতভাৱে ১১১ টা শিশুৱে গুৱাহাটীৰ এই কেন্দ্ৰত পঞ্জীয়ন কৰিছে। আজিৰ সংবাদমেলত উত্তৰ-পূব প্ৰমুখ ল'ৰি গৌৰ উপস্থিত থাকে।